**2016**

# POLITICAL SCIENCE

( Major )

Paper : 5.1

**( Western Political Thinkers )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

তলত দিয়াবোৰ নিৰ্দেশ কৰা ধৰণে উত্তৰ লিখা :

*(a)* Who wrote the book, *Discourses*?

*Discourses* গ্ৰন্থখন কোনে লিখিছিল ?

*(b)* Hobbes was the supporter of 'unlimited sovereign power'.

(State True or False)

হব্‌চ 'সীমাহীন সাৰ্বভৌম ক্ষমতা'ৰ সমৰ্থক আছিল।

(শুদ্ধ নে অশুদ্ধ লিখা)

(c) *The City of God* was written by

*The City of God* গ্ৰন্থখন কোনে লিখিছিল ?

(i) Machiavelli/মেকিয়াভেলি

(ii) Rousseau/ৰুছো

(iii) St. Augustine/চেইন্ট অগষ্টাইন

(iv) Hobbes/হব্‌চ

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(d) Who has authored the book, *Poverty of Philosophy*?

*Poverty of Philosophy* গ্ৰন্থখনৰ লিখক কোন ?

(e) St. Augustine was a political philosopher of

চেইন্ট অগষ্টাইন এজন ৰাজনৈতিক দাৰ্শনিক আছিল

(i) modern period
আধুনিক যুগৰ

(ii) medieval period
মধ্যযুগৰ

(iii) ancient period
প্ৰাচীন যুগৰ

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)



(f) Plato was the disciple of

প্লেটো কাৰ শিষ্য আছিল ?

(i) Karl Marx
কাৰ্ল মাৰ্ক্স

(ii) Rousseau
ৰুছো

(iii) Socrates
চক্ৰেটিচ

(iv) Hobbes
হব্‌চ

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(g) According to Plato, in the Ideal State the number of citizens should be

প্লেটোৰ মতে এখন আদৰ্শ ৰাষ্ট্ৰৰ নাগৰিকৰ সংখ্যা কিমান হোৱা উচিত ?

(i) 9250

(ii) 6025

(iii) 5040

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

**2.** Answer the following questions : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Mention two qualities of a philosopher king as stated by Plato.

প্লেটোই উল্লেখ কৰা ধৰণে এজন দাৰ্শনিক ৰজাৰ দুটা গুণ লিখা।

(b) Mention two defects of Rousseau's thought.

ৰুছোৰ চিন্তাধাৰাৰ দুটা আসোঁৱাহ উল্লেখ কৰা।

(c) Name two books written by Karl Marx.

কাৰ্ল মাৰ্ক্সে ৰচনা কৰা দুখন কিতাপৰ নাম লিখা।

(d) Mention any two aspects of human nature as stated by Machiavelli.

মেকিয়াভেলিয়ে উল্লেখ কৰা ধৰণে মানৱ প্ৰকৃতিৰ দুটা দিশ উল্লেখ কৰা।

**3.** Answer the following questions : 5×3=15

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Write about the causes of revolution as mentioned by Aristotle.

এৰিষ্ট'টলে উল্লেখ কৰা মতে বিপ্লৱৰ কাৰণসমূহ লিখা।

*Or / নাইবা*

Explain and evaluate Marx's conception on class struggle.

মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণাটো ব্যাখ্যা কৰা আৰু মূল্যায়ন কৰা।





(b) Explain the concept of Statecraft of Machiavelli.

মেকিয়াভেলিৰ ৰাষ্ট্ৰব্যৱস্থা ধাৰণাটো ব্যাখ্যা কৰা।

*Or / নাইবা*

Discuss Aristotle's views on slavery.

দাসত্ব সম্পৰ্কে এৰিষ্ট'টলৰ দৃষ্টিভংগী আলোচনা কৰা।

(c) Explain critically St. Augustine's concept of two cities.

চেইন্ট অগষ্টাইনৰ দুখন নগৰৰ ধাৰণাটো সমালোচনাত্মকভাৱে ব্যাখ্যা কৰা।

*Or / নাইবা*

Write about Locke's conception on property.

লকৰ সম্পত্তিৰ ধাৰণাটো লিখা।

**4.** Answer the following questions : 10×3=30

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Critically explain Plato's theory of communism. How far his concept of communism differed from modern communism?

প্লেটোৰ সাম্যবাদৰ তত্ত্বটো সমালোচনাত্মকভাৱে ব্যাখ্যা কৰা। তেওঁৰ সাম্যবাদৰ ধাৰণাটো আধুনিক সাম্যবাদৰ ধাৰণাতকৈ কিমান পৃথক?

Or / নাইবা

Write a critical estimate on Plato's theory of Justice.

প্লেটোৰ ন্যায়ৰ তত্ত্বটো সমালোচনাত্মকভাৱে আলোচনা কৰা।

(b) Discuss Machiavelli's contribution to political thought.

ৰাজনৈতিক চিন্তাধাৰালৈ মেকিয়াভেলিৰ অৱদান আলোচনা কৰা।

Or / নাইবা

Critically explain the concept of Materialistic Interpretation of History of Karl Marx.

কাৰ্ল মাৰ্ক্সৰ ইতিহাসৰ বস্তুবাদী ব্যাখ্যা ধাৰণাটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

(c) Explain the concept of religion and politics of St. Augustine. How this concept ushered a new era in the realm of political philosophy?

চেইন্ট অগষ্টাইনৰ ধৰ্ম আৰু ৰাজনীতিৰ ধাৰণাটো ব্যাখ্যা কৰা। এই ধাৰণাটোৱে ৰাজনৈতিক দৰ্শনৰ ক্ষেত্ৰখনত কেনেদৰে নতুন যুগৰ সূচনা কৰিছিল?





Or / নাইবা

"The history of all hitherto existing society is the history of class struggle." Explain the statement.

"The history of all hitherto existing society is the history of class struggle." উক্তিটো ব্যাখ্যা কৰা।

★★★

**2016**

# POLITICAL SCIENCE

( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

## GROUP—A

**( Politics in North-East India—I )**

**1.** Answer the following questions : 1×7=7

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* In which year Arunachal Pradesh attained the status of Statehood?

অৰুণাচল প্ৰদেশে কোন চনত ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল ?

*(b)* Phulaguri Uprising took place in which year?

ফুলগুৰিৰ বিদ্ৰোহ কোন চনত সংগঠিত হৈছিল ?

(c) How many States are there in North-Eastern Council?

উত্তৰ-পূব পৰিষদত থকা ৰাজ্যৰ সংখ্যা কিমান?

(d) Name one prominent leader who led a resistance against the Britishers in the Anglo-Manipur War of 1891.

১৮৯১ চনৰ বৃটিছ-মণিপুৰ যুদ্ধত বৃটিছৰ বিৰুদ্ধে সংগ্ৰামৰ নেতৃত্ব দিয়া এগৰাকী উল্লেখনীয় নেতাৰ নাম লিখা।

(e) When did the Britishers annex lower Assam?

বৃটিছসকলে কেতিয়া নামনি অসমক নিজৰ সাম্ৰাজ্যত অন্তৰ্ভুক্ত কৰিছিল?

(f) Which organization declared Kaziranga and Manas National Park as the world heritage site?

কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানক কোনটো সংস্থাই বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাবে ঘোষণা কৰিছিল?

(g) Who is the present Governor of Meghalaya?

মেঘালয়ৰ বৰ্তমানৰ ৰাজ্যপাল কোন?





2. Answer the following questions : 2×4=8

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Write the names of any two of the member States of North-Eastern Council.

উত্তৰ-পূব পৰিষদৰ যি কোনো দুখন সদস্য ৰাজ্যৰ নাম লিখা।

(b) Mention the names of any two districts under BTAD.

বি. টি. এ. ডি.-ৰ অধীনৰ যি কোনো দুখন জিলাৰ নাম উল্লেখ কৰা।

(c) Mention any two administrative changes made by the British colonial rulers.

বৃটিছ ঔপনিৱেশিক শাসকে গ্ৰহণ কৰা যি কোনো দুটা প্ৰশাসনীয় পৰিৱৰ্তন উল্লেখ কৰা।

(d) Write the names of any two social groups in the Colonial era.

ঔপনিৱেশিক কালৰ যি কোনো দুটা সামাজিক গোটৰ নাম লিখা।

**3.** Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো তিনিটাৰ ওপৰত চমু টোকা লিখা :

(a) Treaty of Yandaboo

ইয়াণ্ডাবু সন্ধি

(b) Patharughat Uprising

পথৰুঘাটৰ বিদ্ৰোহ

(c) Rise of Insurgency in Nagaland

নগালেণ্ডত বিদ্ৰোহৰ উত্থান

(d) Role of Raijmels

ৰাইজমেলৰ ভূমিকা

**4.** Answer the following questions : 10×3=30

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Critically discuss about the British policy of annexation.

বৃটিছৰ চামিলকৰণ নীতিৰ ওপৰত এটা সমালোচনাত্মক আলোচনা আগবঢ়োৱা।

*Or* / অথবা

Discuss about the consolidation of British rule in Assam.

অসমত বৃটিছ শাসনৰ সুদৃঢ় হোৱাৰ ওপৰত আলোচনা কৰা।





(b) Trace the geo-strategic location of the North-Eastern States. Do you think that North-Eastern States are geo-strategically located? Give reasons.

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভূ-কৌশলগত অৱস্থিতিৰ ৰেখাংকন কৰা। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ ভূ-কৌশলগতভাৱে অৱস্থিত বুলি ভাবানে? কাৰণ দৰ্শোৱা।

*Or* / অথবা

Why is North-East India geo-strategically important? Explain this in the context of Look East Policy.

উত্তৰ-পূৰ্বাঞ্চল ভূ-কৌশলগতভাৱে কিয় গুৰুত্বপূৰ্ণনে? পূবলৈ চোৱা নীতিৰ আধাৰত ইয়াৰ ব্যাখ্যা দাঙি ধৰা।

(c) Discuss about the demographic changes during the colonial period. What are the essential factors of migration?

ঔপনিৱেশিক কালৰ জনগাঁথনিগত পৰিৱৰ্তন সম্পৰ্কে আলোচনা কৰা। প্ৰব্ৰজনৰ জৰুৰী কাৰকসমূহ কি কি?

*Or* / অথবা

Critically discuss about the peoples resistance against the colonial rule in the 19th century.

১৯শ শতিকাত ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জনতাৰ প্ৰতিৰোধ সম্পৰ্কে সমালোচনাত্মক আলোচনা কৰা।

GROUP—B

**( General Sociology—I )**

**1.** What is sociology? Examine the relationship of sociology with political science and history. 10

সমাজবিজ্ঞান কি? ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জীৰ সৈতে সমাজ-বিজ্ঞানৰ সম্পৰ্ক পৰীক্ষা কৰা।

*Or / অথবা*

Explain the scope of sociology. Point out the main features of the discipline and its relevance as a field of study in the present age. 10

সমাজবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে ব্যাখ্যা কৰা। এই শাখাৰ প্ৰধান বৈশিষ্ট্যসমূহ আৰু বৰ্তমান যুগত অধ্যয়নৰ ক্ষেত্ৰৰূপে ইয়াৰ প্ৰাসঙ্গিকতা উল্লেখ কৰা।

**2.** What is scientific method? Explain its characteristics. 10

বৈজ্ঞানিক পদ্ধতি কি? ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*Or / অথবা*

What is social survey method? Explain its features. 10

সামাজিক সমীক্ষা পদ্ধতি কি? ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।





**3.** What is family? Explain the features of family and the role of the family in society. 10

পৰিয়াল কি? পৰিয়ালৰ বৈশিষ্ট্যসমূহ আৰু সমাজত পৰিয়ালৰ ভূমিকা ব্যাখ্যা কৰা।

*Or / অথবা*

What do you understand by society? Discuss the role of social changes in giving shape to the society. 10

সমাজ বুলিলে কি বুজা? সমাজক গঢ় দিয়াত সামাজিক পৰিৱৰ্তনৰ ভূমিকা আলোচনা কৰা।

**4.** Write short notes on any *three* of the following : 5×3=15

তলত দিয়া যি কোনো তিনিটা বিষয়ৰ ওপৰত চমু টোকা লিখা :

*(a)* Caste in India

ভাৰতত জাতি প্ৰথা

*(b)* Gender

লিঙ্গ

*(c)* Historical method

বুৰঞ্জীমূলক পদ্ধতি

*(d)* Role and status

ভূমিকা আৰু মৰ্যাদা

*(e)* Relationship between sociology and economics

সমাজবিজ্ঞান আৰু অৰ্থনীতি বিজ্ঞানৰ মাজৰ সম্পৰ্ক

**5.** Write very short notes on any *two* of the following : 4×2=8

তলত দিয়া যি কোনো দুটা বিষয়ৰ ওপৰত অতি চমু টোকা লিখা :

*(a)* Social stratification
সামাজিক স্তৰীকৰণ

*(b)* Ascribed and achieved status
আৰোপিত আৰু আহৰিত স্থিতি

*(c)* Concept of social class
সামাজিক শ্ৰেণীৰ ধাৰণা

**6.** Choose the correct option : 1×7=7

সঠিক উত্তৰটো বাছি উলিওৱা :

*(a)* Which of the following books has been authored by Karl Marx?
তলত দিয়া পুথিসমূহৰ ভিতৰত কোনখন কাৰ্ল মাৰ্ক্সৰ দ্বাৰা লিখিত ?

*(i)* *Caste in Indian Politics*

*(ii)* *Politics in India*

*(iii)* *Das Kapital*





*(b)* Which among the following can be regarded as an indicator of open social stratification system?
তলত উল্লেখ কৰাবোৰৰ ভিতৰত কোনটোৱে মুক্ত সামাজিক স্তৰীকৰণ বুজায় বুলি ক'ব পাৰি ?

*(i)* Ethnicity
নৃগোষ্ঠী

*(ii)* Caste
বৰ্ণ

*(iii)* Class
শ্ৰেণী

*(c)* Who among the following was a German scholar who contributed to study of sociology?
সমাজবিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত বৰঙণি যোগোৱা তলত উল্লেখ কৰা গৱেষকসকলৰ ভিতৰত কোনজন জাৰ্মান গৱেষক আছিল ?

*(i)* Auguste Comte
আগষ্ট কঁমটে

*(ii)* Max Weber
মেক্স ৱেবাৰ

*(iii)* Emile Durkheim
এমিলি ডাৰখেইম

*(d)* Which of the following social values is sought to be promoted by the Indian Constitution?

তলত দিয়া সামাজিক প্ৰমূল্যসমূহৰ ভিতৰত ভাৰতীয় সংবিধানে কোনটোৰ প্ৰতি উদগনি যোগাব খোজে?

*(i)* Casteism
জাতিবাদ

*(ii)* Fraternity
ভ্ৰাতৃত্ববোধ

*(iii)* Secessionism
বিচ্ছিন্নতাবাদ

*(e)* Which of the following is considered as a social evil in India?

তলত উল্লেখ কৰাসমূহৰ ভিতৰত কোনটোক ভাৰতত এটি সামাজিক ব্যাধিৰূপে গণ্য কৰা হয়?

*(i)* Untouchability
অস্পৃশ্যতা

*(ii)* Diversity
বিভিন্নতা

*(iii)* Social security
সামাজিক সুৰক্ষা





*(f)* Who among the following is not regarded as a social reformer in India?

তলত উল্লেখ কৰা সকলৰ ভিতৰত কোনজনক ভাৰতৰ এগৰাকী সমাজ-সংস্কাৰকৰূপে গণ্য কৰা নহয়?

*(i)* Raja Ram Mohan Roy
ৰাজা ৰামমোহন ৰয়

*(ii)* Lord Curzon
ল'ৰ্ড কাৰ্জন

*(iii)* M. G. Ranade
এম. জি. ৰাণাদে

*(g)* Which of the following is not a characteristic of culture?

তলত দিয়াসমূহৰ ভিতৰত কোনটো সংস্কৃতিৰ বৈশিষ্ট্য নহয়?

*(i)* It has both material and non-material aspects
ইয়াৰ পাৰ্থিৱ আৰু অপাৰ্থিৱ দুয়োটা দিশ থাকে

*(ii)* It refers to behaviour that is learnt as a member of society
ই সমাজৰ সদস্যৰূপে আহৰণ কৰা আচৰণক বুজায়

*(iii)* Culture is guided by instinct
সংস্কৃতি প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত

★★★

**2 0 1 6**

# POLITICAL SCIENCE

( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

GROUP—A

## ( Contemporary Political Issues )

**1.** Choose the correct answer : 1×7=7

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

*(a)* In which city the United Nations Conference on Environment and Development was held in 1992?

১৯৯২ চনত ৰাষ্ট্ৰসংঘৰ পৰিবেশ আৰু উন্নয়ন সন্মিলন তলত উল্লিখিত কোনখন চহৰত অনুষ্ঠিত হৈছিল ?

*(i)* Copenhagen
ক'পেনহাগেন

*(ii)* Rio de Janeiro
ৰিঅ' ডি জেনেইৰ'

*(iii)* New Delhi
নতুন দিল্লী

*(iv)* New York
নিউ ইয়ৰ্ক

*(b)* By which name 2009 United Nations Climate Change Conference is known?
২০০৯ চনত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন সন্মিলনক কি নামেৰে জনা যায়?

*(i)* Rio Earth Summit
ৰিঅ' ভূ-সন্মিলন

*(ii)* Copenhagen Summit
ক'পেনহাগেন সন্মিলন

*(iii)* Johannesburg Earth Summit
জোহেন্সবাৰ্গ ভূ-সন্মিলন

*(iv)* None of the above
ওপৰৰ কোনোটোৱে নহয়

*(c)* In which of the following countries ISIS has a larger presence?
তলত উল্লেখ কৰা কোনখন দেশত আইছিছ্‌ৰ সৰ্বাধিক উপস্থিতি আছে?

*(i)* Iran
ইৰান

*(ii)* Turkey
তুৰস্ক

*(iii)* Egypt
ইজিপ্ত

*(iv)* Syria
ছিৰিয়া





*(d)* In which year 'Naga Framework Agreement' was signed?
কোন বছৰত 'নগা ফ্ৰেমৱাৰ্ক এগ্ৰিমেন্ট' স্বাক্ষৰিত হৈছিল?

*(i)* 1985
১৯৮৫

*(ii)* 1996
১৯৯৬

*(iii)* 2001
২০০১

*(iv)* 2015
২০১৫

*(e)* In which year, 'Transforming our World: the 2030 Agenda for Sustainable Development', also known as Sustainable Development Goals (SDGs) were adopted?
কোন চনত 'বহনক্ষম উন্নয়ন লক্ষ্য' নামেৰে জনাজাত 'ট্ৰেন্‌চফৰ্মিং আৱাৰ ৱৰ্ল্ড : বহনক্ষম বিকাশৰ ২০৩০-ৰ কৰ্মসূচী' গ্ৰহণ কৰা হয়?

*(i)* 1990
১৯৯০

*(ii)* 2000
২০০০

*(iii)* 2010
২০১০

*(iv)* 2015
২০১৫

(f) In which year 'The Protection of Women from Domestic Violence Act' was enacted in India?
কোন চনত ভাৰতবৰ্ষত 'গৃহ হিংসাৰ পৰা মহিলাৰ নিৰাপত্তা আইন' প্ৰণয়ন কৰা হৈছিল ?

(i) 1975
১৯৭৫

(ii) 1991
১৯৯১

(iii) 1995
১৯৯৫

(iv) 2005
২০০৫

(g) Name the leader of Naga National Council (NNC).
নগা নেশ্বনেল্ কাউন্সিলৰ নেতাগৰাকী কোন আছিল ?

(i) Zapu Phizo
জাপো ফিজো

(ii) Isak Chishi Swu
আইজাক চিশি চ্যু

(iii) Thuingaleng Muivah
টিং মুইভা

(iv) S. S. Khaplang
এছ্‌০ এছ্‌০ খাপলাং



( Continued )



**2.** Answer the following questions very shortly : 2×4=8
তলত উল্লেখ কৰা প্ৰশ্নসমূহৰ অতি সংক্ষিপ্ত উত্তৰ প্ৰদান কৰা :

(a) Name two important goals under 'Sustainable Development Goals' (SDGs).
'বহনক্ষম উন্নয়ন লক্ষ্য'-ৰ অন্তৰ্গত দুটা গুৰুত্বপূৰ্ণ লক্ষ্য উল্লেখ কৰা।

(b) Name two countries ranking within ten of UNDP HDI in the recent past.
বিগত সময়ছোৱাত ৰাষ্ট্ৰসংঘৰ উন্নয়ন আঁচনিয়ে প্ৰদান কৰা মানৱ বিকাশ সূচকাংকৰ শীৰ্ষত থকা দহখন দেশৰ ভিতৰেৰে দুখন দেশৰ নাম উল্লেখ কৰা।

(c) Name two UN declarations on prevention/abolition of violence against women.
মহিলাৰ বিৰুদ্ধে হিংসা নিবাৰণ/ৰদ কৰাৰ বাবে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা দুখন ঘোষণাপত্ৰৰ নাম উল্লেখ কৰা।

(d) Name two laws enacted by India to deal with insurgency and national security.
সন্ত্ৰাসবাদ মোকাবিলা তথা জাতীয় নিৰাপত্তা সুৰক্ষিত কৰিবৰ বাবে ভাৰতবৰ্ষই প্ৰণয়ন কৰা দুখন আইনৰ নাম উল্লেখ কৰা।



( Turn Over )

**3.** Answer any *three* of the following questions briefly : 5×3=15

তলত উল্লেখ কৰা যি কোনো তিনিটা প্ৰশ্নৰ সংক্ষিপ্ত উত্তৰ প্ৰদান কৰা :

(a) Write a note on the important objectives of the Environmental Summits being held so far.

এতিয়ালৈকে অনুষ্ঠিত হোৱা পৰিবেশ সন্মিলনসমূহৰ গুৰুত্বপূৰ্ণ উদ্দেশ্যসমূহৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰা।

(b) How do large river dams in North-East India may adversely impact the environment?

বৃহৎ নদীবান্ধে উত্তৰ-পূব ভাৰতৰ পৰিবেশৰ ওপৰত কিধৰণৰ নেতিবাচক প্ৰভাৱ পেলাব পাৰে?

(c) Write a note on the ongoing peace negotiations between ULFA and the Government of India.

ভাৰতচৰকাৰ আৰু সংযুক্ত মুক্তিবাহিনী অসমৰ মাজত চলি থকা শান্তি আলোচনাৰ বিষয়ে এটা টোকা লিখা।





(d) In your opinion, what are the important factors behind the failure of the laws enacted so far to prevent violence against women in India?

তোমাৰ দৃষ্টিত কি কি কাৰকৰ পৰিপ্ৰেক্ষিতত এতিয়ালৈকে প্ৰণয়ন কৰা আইনসমূহে ভাৰতীয় মহিলাৰ বিৰুদ্ধে চলি থকা হিংসা ৰোধ কৰাত ব্যৰ্থ হৈছে?

(e) Write a short note on the state of human security in North-East India.

উত্তৰ-পূব ভাৰতৰ মানৱ নিৰাপত্তাৰ বিষয়ে এটা চমু টোকা প্ৰস্তুত কৰা।

**4.** Discuss the objectives and outcomes of the Earth Summit being held in Rio de Janeiro in 1992. 10

১৯৯২ চনত ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত ভূ-সন্মিলনৰ লক্ষ্য আৰু ফলশ্ৰুতিসমূহৰ বিষয়ে আলোচনা কৰা।

*Or/অথবা*

Make a critical assessment of the environmental challenges confronted by the world today. 10

বৰ্তমান বিশ্বই সন্মুখীন হোৱা পাৰিবেশিক প্ৰত্যাহ্বানসমূহৰ বিষয়ে এক সমালোচনাত্মক মূল্যায়ন আগবঢ়োৱা।

5. What are the important threats posed by terrorism to the greater society? Elaborate your answer with reference to the situation in North-East India. 10

সন্ত্ৰাসবাদে বৃহত্তৰ সমাজৰ প্ৰতি সৃষ্টি কৰা ভয়াবহতাসমূহ কি কি? উত্তৰ-পূব ভাৰতৰ পটভূমি সমুখত ৰাখি এই দিশসমূহ বিস্তৃতভাৱে আলোচনা কৰা।

*Or*/অথবা

What is global terrorism? Answer with reference to ISIS. 10

বিশ্ব সন্ত্ৰাসবাদ মানে কি? আইছিছ্-ৰ প্ৰসংগ টানি আলোচনা কৰা।

6. What do you mean by human security? How is it different from national security? Discuss with examples. 10

মানৱ নিৰাপত্তা বুলিলে কি বুজা? জাতীয় বা ৰাষ্ট্ৰীয় নিৰাপত্তাৰ সৈতে ইয়াৰ পাৰ্থক্য কি? উদাহৰণসহ আলোচনা আগবঢ়োৱা।

*Or*/অথবা

Write a comprehensive note on Beijing Declaration, 1995 and its outcomes. 10

বেইজিং ঘোষণাপত্ৰ, ১৯৯৫ আৰু তাৰ ফলাফলসমূহৰ বিষয়ে এক বিস্তৃত টোকা প্ৰস্তুত কৰা।

( Continued )



GROUP—B

**( Women and Politics in India )**

1. Answer any *three* of the following : 10×3=30

তলৰ যি কোনো তিনিটাৰ উত্তৰ কৰা :

*(a)* Examine the difference between sex and gender. Explain how gender roles and responsibilities create discrimination against women in the society.

Sex আৰু gender-ৰ মাজৰ পাৰ্থক্য পৰীক্ষা কৰা। সমাজত মহিলাৰ বিৰুদ্ধে বৈষম্য সৃষ্টিত লিংগৰ ভূমিকা আৰু দায়িত্ব ব্যাখ্যা কৰা।

*(b)* Critically explain the major arguments of Marxist Feminism.

মাৰ্ক্সীয় নাৰীবাদৰ মূল যুক্তিসমূহৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(c)* Discuss critically the role played by Gandhi in mobilising women during the Nationalist Movement.

জাতীয় আন্দোলনৰ সময়ছোৱাত মহিলাসকলক সংগঠিত কৰাত গান্ধীজীৰ ভূমিকা বিশ্লেষণ কৰা।



( Turn Over )

(d) What contribution did Raja Ram Mohan Roy make towards highlighting women's issues in 19th century India? Can he be called a feminist?

উনিশ শতিকাৰ ভাৰতত মহিলাসকলৰ বিষয়বোৰ পোহৰলৈ অনাত ৰাজা ৰামমোহন ৰায় কি অৰদান আগবঢ়াইছিল ? তেওঁক নাৰীবাদী বুলি ক'ব পৰা যায়নে ?

(e) Discuss the role of women in the Civil Rights Movement.

নাগৰিক অধিকাৰ আন্দোলনত মহিলাসকলৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা ।

(f) What were the strategies used by the Suffragettes in Britain? How successful were they in winning the right to vote?

ব্রিটেইনত ভোটাধিকাৰ লাভৰ বাবে মহিলাসকলে (Suffragettes) কি কি কৌশল অৱলম্বন কৰিছিল ? ভোটাধিকাৰ পোৱাত তেওঁলোক কিমান সফল হৈছিল ?

**2.** Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো **তিনিটাৰ** চমু টোকা লিখা :

(a) Three Waves of Feminism

নাৰীবাদৰ তিনিটা পৰ্যায়

( Continued )



(b) Patriarchy as an Ideology

মতাদৰ্শ হিচাপে পিতৃতান্ত্ৰিকতাবাদ

(c) Critique of Liberal Feminism

উদাৰতাবাদী নাৰীবাদৰ সমালোচনা

(d) Suffrage Movement in USA

আমেৰিকা যুক্তৰাষ্ট্ৰত ভোটাধিকাৰ আন্দোলন

(e) Women and French Revolution

মহিলা আৰু ফ্ৰান্স বিপ্লৱ

**3.** Write briefly on the following : 2×4=8

তলৰ বিষয়কেইটাৰ ওপৰত চমুকৈ লিখা :

(a) Feminism

নাৰীবাদ

(b) Concept of gender

লিংগৰ ধাৰণা

(c) Women and the Swadeshi Movement

মহিলা আৰু স্বদেশী আন্দোলন

(d) Patriarchy in the family

পৰিয়ালত পিতৃতান্ত্ৰিকতাবাদ



( Turn Over )

4. Choose the correct answer : 1×7=7

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

(a) Who wrote the book, *A Vindication of the Rights of Woman*?

*A Vindication of the Rights of Woman* নামৰ কিতাপখন কোনে লিখিছিল ?

(i) Mary Wollstonecraft
মেৰী ওলষ্টোনক্ৰেফট

(ii) Clara Zetkin
ক্লাৰা জেট্‌কিন

(iii) J. S. Mill
জে০ এছ্‌০ মিল

(iv) Harriet Taylor
হেৰিয়েট টেইলৰ

(b) When did women in America attain the right to vote?

কোন চনত আমেৰিকাত মহিলাই ভোটাধিকাৰ লাভ কৰিছিল ?

(i) 1919
১৯১৯

(ii) 1920
১৯২০

(iii) 1921
১৯২১

(iv) 1922
১৯২২

Continued



(c) Which feminist perspective sees inequality in the public sphere as a major concern in the exploration of gender inequality?

কোনটো নাৰীবাদী দৃষ্টিভঙ্গীয়ে ৰাজহুৱা ক্ষেত্ৰত লিংগ বৈষম্য বিষয়ক পৰ্যালোচনাত অসমতাক মূল চিন্তনীয় বিষয় বুলি কৈছে ?

(i) Liberal
উদাৰতাবাদী

(ii) Marxist
মাৰ্ক্সবাদী

(iii) Radical
মৌলিকতাবাদী

(iv) None of the above
ওপৰৰ কোনোটোৱে নহয়

(d) Which form of feminism draws on Marxist theory?

নাৰীবাদৰ কোনটো চিন্তাধাৰা মাৰ্ক্সীয় তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত ?

(i) Liberal
উদাৰতাবাদী

(ii) Socialist
সমাজবাদী

(iii) Radical
মৌলিকতাবাদী

(iv) Post-modern
উত্তৰ-আধুনিকতাবাদী



( Turn Over )

*(e)* The second wave of feminism emerged around the
নাৰীবাদৰ দ্বিতীয় পৰ্যায়টো আৰম্ভ হৈছিল

*(i)* 1960s
১৯৬০ৰ দশকৰ পৰা

*(ii)* 1980s
১৯৮০ৰ দশকৰ পৰা

*(iii)* 1990s
১৯৯০ৰ দশকৰ পৰা

*(iv)* None of the above
ওপৰৰ কোনোটোৱে নহয়

*(f)* Who wrote the book, *The Subjection of Women?*
*The Subjection of Women* নামৰ কিতাপখন কোনে লিখিছিল ?

*(i)* Mary Wollstonecraft
মেৰী ওলষ্টোনক্ৰেফট

*(ii)* Alexandra Kollontai
আলেকজেন্দ্ৰা কল্লোনটাই

*(iii)* Juliet Mitchell
জুলিয়েট মিচ্চেল

*(iv)* J. S. Mill
জে০ এছ০ মিল

( Continued



*(g)* What is patriarchy?
পিতৃতান্ত্ৰিকতাবাদ কি ?

*(i)* Societies that pass property down from male to male
পুৰুষানুক্ৰমে সম্পত্তি পৰ্যৱসিত হোৱা সমাজ

*(ii)* Societies in which women are treated as property
যি সমাজত নাৰীক সম্পত্তি হিচাপে গণ্য কৰা হয়

*(iii)* Societies which are dominated by males
পুৰুষৰ দ্বাৰা নিয়ন্ত্ৰিত সমাজ

*(iv)* None of the above
ওপৰৰ কোনোটোৱে নহয়

★★★

**2016**

POLITICAL SCIENCE

( Major )

Paper : 5.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

GROUP—A

**( Rural Local Governance )**

**1.** Examine the role of Balwant Rai Mehta Committee's recommendations on the evolution of rural local governance in independent India. 10

স্বাধীনোত্তৰ ভাৰতত গ্ৰাম্য স্থানীয় প্ৰশাসনৰ ক্ৰমবিকাশত বলৱন্ত ৰাই মেহতা কমিটিৰ পৰামৰ্শসমূহৰ ভূমিকা পৰীক্ষা কৰা।

*Or / অথবা*

Examine Gandhiji's ideas on Panchayat and rural reconstruction. 10

পঞ্চায়ত আৰু গ্ৰামীণ পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰত গান্ধীজীৰ ধাৰণাসমূহ পৰীক্ষা কৰা।

**2.** Discuss the significance of 73rd Constitution Amendment Act with special reference to women's participation in rural local governance. 10

গ্ৰাম্য স্থানীয় প্ৰশাসনত মহিলাৰ অংশগ্ৰহণৰ উদ্ধৃতি দি ৭৩তম সংবিধান সংশোধনী আইনৰ তাৎপৰ্যৰ বিষয়ে আলোচনা কৰা।

*Or / অথবা*

What are the major problems of the Panchayati Raj? Give your suggestions to solve the problems. 7+3=10

পঞ্চায়তী ৰাজৰ মুখ্য সমস্যাসমূহ কি কি? এই সমস্যাবোৰৰ সমাধান সম্পৰ্কে তোমাৰ পৰামৰ্শ আগবঢ়োৱা।

**3.** Discuss the composition, powers and functions of Gaon Panchayat in Assam. 10

অসমত গাওঁ পঞ্চায়তৰ গঠন, ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

Discuss the executive control over Panchayati Raj Institutions (PRIs). 10

পঞ্চায়তী ৰাজ অনুষ্ঠানৰ ওপৰত কাৰ্যপালিকাৰ নিয়ন্ত্ৰণ সম্পৰ্কে আলোচনা কৰা।





**4.** Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো তিনিটাৰ ওপৰত চমু টোকা লিখা :

(a) 64th Constitution Amendment Bill
৬৪তম সংবিধান সংশোধনী আইন

(b) Role of Gaon Sabha in Panchayati Raj
পঞ্চায়তী ৰাজত গাওঁ সভাৰ ভূমিকা

(c) State Election Commission
ৰাজ্যিক নিৰ্বাচনী আয়োগ

(d) Limitations of Legislative Control over Rural Local Governance
গ্ৰাম্য স্থানীয় প্ৰশাসনৰ ওপৰত বিধানমণ্ডলীয় নিয়ন্ত্ৰণৰ সীমাবদ্ধতা

(e) Grants-in-aid
সহায়ক অনুদান

**5.** Answer the following questions : 2×4=8

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) State two recommendations included in the Ripon Resolution.
ৰিপণ প্ৰস্তাৱনাত সন্নিৱিষ্ট দুটা পৰামৰ্শ উল্লেখ কৰা।

(b) Mention two functions of the State Finance Commission.
ৰাজ্যিক বিত্তীয় আয়োগৰ দুটা কাৰ্যাৱলী উল্লেখ কৰা।

(c) Mention two functions of the President of Zila Parishad in Assam.

অসমত জিলা পৰিষদৰ সভাপতিৰ দুটা কাৰ্যাৱলী উল্লেখ কৰা।

(d) State four sources of revenue of the Panchayat Samiti.

পঞ্চায়ত সমিতিৰ ৰাজহ আহৰণৰ চাৰিটা উৎস উল্লেখ কৰা।

**6.** Answer the following questions as directed : 1×7=7

তলৰ প্ৰশ্নকেইটাৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

(a) What is the number of subjects transferred to the Panchayat bodies by 73rd Constitutional Amendment?

৭৩তম সংবিধান সংশোধনী আইনৰ দ্বাৰা পঞ্চায়ত নিকায়সমূহলৈ কেইটা বিষয় স্থানান্তৰ কৰা হৈছে?

(b) The provision of Gaon Sabha is mentioned in the Article _____ of the Indian Constitution.

(Fill in the blank)

ভাৰতীয় সংবিধানৰ _____ অনুচ্ছেদত গাওঁ সভাৰ ব্যৱস্থা সম্পৰ্কে উল্লেখ কৰা হৈছে।

(খালি ঠাই পূৰণ কৰা)



(c) Who elects the President of Zila Parishad?

জিলা পৰিষদৰ সভাপতিক কোনে নিৰ্বাচিত কৰে?

(d) Who was the Chairman of Royal Commission of Decentralization?

বিকেন্দ্ৰীকৰণৰ ৰাজকীয় আয়োগৰ সভাপতি কোন আছিল?

(e) Mention any one responsibility of State Panchayat Election Commission.

ৰাজ্যিক পঞ্চায়ত নিৰ্বাচন আয়োগৰ যি কোনো এটা দায়িত্ব উল্লেখ কৰা।

(f) In which year was Ripon Resolution adopted?

ৰিপণ প্ৰস্তাৱনা কোন চনত গ্ৰহণ কৰা হৈছিল?

(g) Control through 'question hour' is regarded as 'Executive' / 'Judicial' / 'Legislative' control.

(Choose the correct option)

'প্ৰশ্নোত্তৰ কাল'ৰ যোগেদি হোৱা নিয়ন্ত্ৰণক 'কাৰ্যবাহী'/ 'ন্যায়িক'/ 'বিধানমণ্ডলীয়' নিয়ন্ত্ৰণৰূপে গণ্য কৰা হয়।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

GROUP—B

**( Political Sociology )**

1. Answer the following questions as directed : 1×7=7

তলৰ প্ৰশ্নকেইটাৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

(a) Who wrote the book, *From the Sociology of Politics to Political Sociology*?

*From the Sociology of Politics to Political Sociology* গ্ৰন্থখনৰ লিখক কোন?

(i) Max Weber
মেক্স ৱেবাৰ

(ii) Giovanni Sartori
জিয়ভান্নি চাৰ্টৰি

(iii) Auguste Comte
অগষ্টে কমটে

(Choose the correct option)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(b) "Political Sociology starts with society and examines how it affects the State." Who said this?

"ৰাজনৈতিক সমাজতত্ত্ব সমাজত আৰম্ভ হয় আৰু ই ৰাষ্ট্ৰক কিদৰে প্ৰভাৱান্বিত কৰে তাৰ পৰীক্ষা কৰে।" কথাষাৰ কোনে কৈছিল?





(c) Sociologically speaking, mobility is the result of urbanization, industrialization and commercialization.

(Write True or False)

সমাজবিজ্ঞানৰ দিশৰ পৰা কবলৈ হ'লে গতিশীলতা হৈছে নগৰীকৰণ, উদ্যোগীকৰণ আৰু ব্যৱসায়ীকৰণৰ ফলাফল।

(শুদ্ধ নে অশুদ্ধ লিখা)

(d) Who is known as the Father of Political Sociology?

ৰাজনৈতিক সমাজতত্ত্বৰ জনকৰূপে কোন খ্যাত?

(e) Write one advantage of the concept of political socialization.

ৰাজনৈতিক সামাজিকীকৰণৰ ধাৰণাটোৰ এটা সুবিধা লিখা।

(f) Gabriel Almond and Sidney Verba have mentioned three types of political culture in their book _____.

(Fill in the blank)

গেব্ৰিয়েল এলমণ্ড আৰু চিড্‌নী ভাৰ্বাই তেওঁলোকৰ গ্ৰন্থ _____ তিনি প্ৰকাৰৰ ৰাজনৈতিক সংস্কৃতিৰ বিষয়ে উল্লেখ কৰিছে।

(খালি ঠাই পূৰণ কৰা)

(g) Giovanni Sartori has tried to define Political Sociology as 'an interdisciplinary hybrid'.

(Write True or False)

জিয়ভান্নি চাৰ্টৰিয়ে ৰাজনৈতিক সমাজতত্ত্বক 'এটা আন্তঃঅনুশাসনিক সঙ্কৰ' ৰূপে অভিহিত কৰিছে।

(শুদ্ধ নে অশুদ্ধ লিখা)

**2.** Answer the following questions : 2×4=8

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Write the utility of studying Political Sociology.

ৰাজনৈতিক সমাজতত্ত্বৰ অধ্যয়নৰ উপযোগিতাৰ বিষয়ে লিখা।

(b) Name two types of political socialization.

ৰাজনৈতিক সামাজিকীকৰণৰ দুটা প্ৰকাৰ উল্লেখ কৰা।

(c) What are the components of political culture?

ৰাজনৈতিক সংস্কৃতিৰ উপাদানসমূহ কি কি?

(d) Write the value of political mobility.

ৰাজনৈতিক গতিশীলতাৰ মূল্যৰ বিষয়ে লিখা।



( Continued )



**3.** Answer any *three* of the following questions : 5×3=15

তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Examine the relationship between Political Sociology and Political Science.

ৰাজনৈতিক সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্পৰ্ক পৰীক্ষা কৰা।

(b) Examine the role of Political Party in the process of political socialization.

ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত ৰাজনৈতিক দলৰ ভূমিকা পৰীক্ষা কৰা।

(c) Discuss the concept of political culture.

ৰাজনৈতিক সংস্কৃতিৰ ধাৰণা সম্পৰ্কে আলোচনা কৰা।

(d) Analyze the defects of political mobility.

ৰাজনৈতিক গতিশীলতাৰ দোষবোৰৰ পৰ্যালোচনা কৰা।

(e) Explain the importance of political socialization.

ৰাজনৈতিক সামাজিকীকৰণৰ গুৰুত্ব ব্যাখ্যা কৰা।



( Turn Over )

**4.** Answer any *three* of the following questions : 10×3=30

তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

*(a)* Discuss the emergence of political sociology as a distinct discipline. 10

এটা সুকীয়া অধ্যয়নক্ষেত্ৰৰূপে ৰাজনৈতিক সমাজতত্ত্বৰ উত্থানৰ বিষয়ে আলোচনা কৰা।

*(b)* Explain the major reasons for variation of political culture from one society to another. 10

সমাজভেদে ৰাজনৈতিক সংস্কৃতিৰ তাৰতম্যৰ মুখ্য কাৰণসমূহ ব্যাখ্যা কৰা।

*(c)* Define political socialization. Discuss the role of education in the process of political socialization. 4+6=10

ৰাজনৈতিক সামাজিকীকৰণৰ সংজ্ঞা লিখা। ৰাজনৈতিক সামাজিকীকৰণৰ প্ৰক্ৰিয়াত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

*(d)* Explain the nature and subject matter of political sociology. 5+5=10

ৰাজনৈতিক সমাজতত্ত্বৰ প্ৰকৃতি আৰু বিষয়বস্তু ব্যাখ্যা কৰা।





*(e)* What is political mobility? Examine the factors responsible for the growth of political mobility. 4+6=10

ৰাজনৈতিক গতিশীলতা কি? ৰাজনৈতিক গতিশীলতাৰ বিকাশৰ সহায়ক কাৰণসমূহ পৰীক্ষা কৰা।

★★★

# 2016

# POLITICAL SCIENCE

## ( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

### GROUP—A

### ( Democracy in India )

**1.** Answer any *three* of the following : 10×3=30

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

*(a)* "Democracy is both a method to arrive at collective decisions and a set of values and behaviour with which people approach decision making." In the light of this statement, examine the concept of 'democracy'.

"গণতন্ত্ৰ সমূহীয়া সিদ্ধান্তত উপনীত হোৱাৰ এটা পদ্ধতি আৰু সিদ্ধান্ত গ্ৰহণত জনসাধাৰণৰ প্ৰমূল্যবোধ আৰু অংশগ্ৰহণৰ এক আচৰণ।" এই উক্তিটোৰ আধাৰত 'গণতন্ত্ৰ'ৰ ধাৰণাটো পৰীক্ষা কৰা।

(b) How have the ideas of democracy developed in India? Examine.

ভাৰতবৰ্ষত গণতন্ত্ৰৰ ধাৰণাটোৰ বিকাশ কেনেদৰে হ'ল? পৰীক্ষা কৰা।

(c) How do you evaluate the working of democracy in India today? Discuss.

বৰ্তমান ভাৰতবৰ্ষত গণতন্ত্ৰৰ কাৰ্যক তুমি কেনেদৰে মূল্যায়ন কৰিবা? আলোচনা কৰা।

(d) Discuss briefly the election process in India.

ভাৰতবৰ্ষৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ চমু আলোচনা কৰা।

(e) What do you mean by 'voting behaviour'? What are the factors that influence voting behaviour pattern in India today?





'ভোটদানৰ আচৰণ' মানে তুমি কি বুজা? বৰ্তমান ভাৰতবৰ্ষত ভোটদানৰ আচৰণৰ বিন্যাসটোক প্ৰভাৱিত কৰা কাৰকসমূহ কি কি?

(f) Discuss the powers and functions of the Election Commissioner in India.

ভাৰতবৰ্ষত নিৰ্বাচনী আয়ুক্তৰ ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰা।

**2.** Write short notes on any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ চমু টোকা লিখা :

(a) Assam Assembly Election, 2016

অসম বিধানসভা নিৰ্বাচন, ২০১৬

(b) Delimitation of Constituencies

সমষ্টিৰ সীমা নিৰ্ধাৰণ

(c) Pre-Poll Alliance

নিৰ্বাচনী-পূৰ্ব মিত্ৰতা

(d) Psephology

ছেফ'লজী

**3.** Answer any *two* of the following : 4×2=8

তলত দিয়াবোৰৰ যি কোনো দুটাৰ উত্তৰ দিয়া :

*(a)* Mention two challenges of Indian democracy.

ভাৰতীয় গণতন্ত্ৰৰ প্ৰতি দুটা প্ৰত্যাহ্বান উল্লেখ কৰা ।

*(b)* What makes people trust or distrust institutions like political parties?

ৰাজনৈতিক দলৰ দৰে অনুষ্ঠানৰ প্ৰতি জনসাধাৰণে বিশ্বাস অথবা অবিশ্বাস কিহৰ ভিত্তিত কৰে ?

*(c)* Is India a democracy in procedural sense?

ভাৰতবৰ্ষ পদ্ধতিগত অৰ্থত গণতন্ত্ৰ হয়নে ?

*(d)* Mention two electoral reforms for strengthening democracy in India.

ভাৰতবৰ্ষত গণতন্ত্ৰ শক্তিশালী কৰাৰ অৰ্থে দুটা নিৰ্বাচনী সংস্কাৰ উল্লেখ কৰা ।

(Continued)



**4.** Answer the following as directed : 1×7=7

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* The author of the book titled, *Democracy and its Critics* is

*ডেম'ক্ৰেচী এণ্ড ইটছ ক্ৰিটিকছ* নামৰ গ্ৰন্থখনৰ লিখক হ'ল

*(i)* Myron Weiner

মেইৰন ৱেইনাৰ

*(ii)* Mahatma Gandhi

মহাত্মা গান্ধী

*(iii)* Almond Gabriel

আলমণ্ড গেব্ৰিয়েল

*(iv)* Robert Dahl

ৰবাৰ্ট ডাল

(Choose the correct option)

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(b) Which one of the following statements is not correct?

তলৰ কোনটো উক্তি শুদ্ধ নহয় ?

(i) The quality of a country's democracy is dependent on the political culture that is promoted or practised in daily life.

এখন দেশৰ গণতন্ত্ৰৰ গুণগত মানদণ্ড নিৰ্ভৰ কৰে দেশখনৰ দৈনন্দিন প্ৰয়োগ কৰা আৰু বিকশিত হোৱা ৰাজনৈতিক সংস্কৃতিৰ ওপৰত।

(ii) At the heart of all democratic theories is the concept of popular power.

সকলো গণতান্ত্ৰিক তত্ত্বৰ মূলতে আছে জনগণৰ ক্ষমতাৰ ধাৰণা।

(iii) Jawaharlal Nehru was not influenced by liberal democratic traditions of the 19th century.

জৱহৰলাল নেহৰু ১৯ শতিকাৰ উদাৰতাবাদী গণতান্ত্ৰিক পৰম্পৰাৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল।

( Continued )



(c) The person who shaped Political Science in India is

ভাৰতত ৰাজনীতি বিজ্ঞানক গঢ় দিয়া ব্যক্তিগৰাকী হ'ল

(i) Rajni Kothari

ৰজনী কোঠাৰী

(ii) Myron Weiner

মেইৰন ৱেইনাৰ

(iii) Rudolph and Rudolph

ৰুডলফ আৰু ৰুডলফ

(iv) Paul Brass

পল ব্ৰাছ

(Choose the correct option)

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(d) The emergence of BJP as the single largest party in the Lok Sabha, 2014 has important implications for _____ of social groups in the country.

(Fill in the blank)



( Turn Over )

লোকসভা, ২০১৪ত ভাৰতীয় জনতা পাৰ্টিৰ একমাত্ৰ সৰ্ববৃহৎ দল হিচাপে উত্থানত দেশখনৰ সামাজিক গোটসমূহৰ _____ ৰ বাবে গুৰুত্বপূৰ্ণ তাৎপৰ্য আছে। (খালী ঠাই পূৰণ কৰা)

*(e)* Who provided ideological foundations of Hindu nationalism?

হিন্দু জাতীয়তাবাদৰ আদৰ্শগত ভেটিটো কোনে স্থাপন কৰিছিল?

*(i)* Vinayak Damodar Savarkar

বিনায়ক দামোদৰ ছাভাৰকাৰ

*(ii)* Mahatma Gandhi

মহাত্মা গান্ধী

*(iii)* M. Desai

এম. দেশাই

*(iv)* V. K. Singh

ভি. কে. সিং

(Choose the correct option)

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)





*(f)* Who appoints the Chief Election Commissioner of the Election Commission?

নিৰ্বাচনী আয়োগৰ মুখ্য নিৰ্বাচনী আয়ুক্তক কোনে নিযুক্তি প্ৰদান কৰে?

*(i)* Prime Minister

প্ৰধানমন্ত্ৰী

*(ii)* Chief Justice of India

ভাৰতৰ মুখ্য ন্যায়াধীশ

*(iii)* President

ৰাষ্ট্ৰপতি

*(iv)* Lok Sabha

লোকসভা

(Choose the correct option)

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

*(g)* Who gave the slogan, "Swaraj is my birthright and I shall have it"?

"স্বৰাজ মোৰ জন্মস্বত্ব আৰু মই ইয়াক আহৰণ কৰিম।" এই বাক্যশাৰী কোনে কৈছিল?

## GROUP—B

### ( Human Rights )

**1.** Answer the following as directed : 1×7=7

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* People of different religious communities enjoy different human rights.

(Write True or False)

বিভিন্ন ধৰ্মীয় সম্প্ৰদায়বোৰে বিভিন্ন মানৱ অধিকাৰ উপভোগ কৰে।

(শুদ্ধ নে অশুদ্ধ লিখা)

*(b)* Right to peace is a _____ generation human right.

(Fill in the blank)

শান্তিৰ অধিকাৰ এটা _____ প্ৰজন্মৰ মানৱ অধিকাৰ।

(খালী ঠাই পূৰণ কৰা)

*(c)* Who was the author of the book, *The Future of Law in a Multicultural World* ?

*The Future of Law in a Multicultural World* নামৰ গ্ৰন্থখনৰ লিখক কোন?





*(d)* In which year was the first UN International Conference on Human Rights held?

কোন চনত মানৱ অধিকাৰৰ ওপৰত ৰাষ্ট্ৰসংঘৰ প্ৰথম আন্তৰ্জাতিক সন্মিলন অনুষ্ঠিত হৈছিল?

*(e)* Who was the founder of Amnesty International?

Amnesty International-ৰ প্ৰতিষ্ঠাপক কোন আছিল?

*(f)* What is International Bill of Rights for Women?

মহিলাৰ আন্তৰ্জাতিক Bill of Rights কি?

*(g)* How many Articles are there in the International Covenant on Economic, Social and Cultural Rights, 1966?

১৯৬৬ চনৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তিখনত কিমানটা অনুচ্ছেদ আছে?

**2.** Answer the following questions : 2×4=8

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Mention two features of universal approach to the study of Human Rights.

মানৱ অধিকাৰ অধ্যয়নৰ সাৰ্বজনীন দৃষ্টিভংগীৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

(b) Do you think that human rights are more important than other legal rights? Give two reasons.

মানৱ অধিকাৰসমূহ আন বৈধ অধিকাৰবোৰতকৈ বেছি গুৰুত্বপূৰ্ণ বুলি ভাবানে? দুটা যুক্তি দাঙি ধৰা ।

(c) What is the relation between the UN Commission on Human Rights and the UN Human Rights Council?

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগ আৰু মানৱ অধিকাৰ পৰিষদৰ মাজত সম্পৰ্ক কি?

(d) Mention two functions of the International Committee of the Red Cross.

আন্তৰ্জাতিক ৰেড ক্ৰছ সমিতিৰ দুটা কাৰ্য উল্লেখ কৰা ।





**3.** Write short notes on any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো **তিনিটাৰ** চমু টোকা লিখা :

(a) Second Generation Human Rights

দ্বিতীয় প্ৰজন্মৰ মানৱ অধিকাৰ

(b) Cultural Relativism

সাংস্কৃতিক আপেক্ষিকতাবাদ

(c) Second Optional Protocol of ICCPR

পৌৰ আৰু ৰাজনৈতিক আধিকাৰৰ আন্তৰ্জাতিক চুক্তিৰ দ্বিতীয় ঐচ্ছিক চুক্তি

(d) Peter Benenson

পিটাৰ বেনেনচন

(e) Significance of UDHR

মানৱ অধিকাৰৰ ঘোষণাপত্ৰৰ তাৎপৰ্য

**4.** Answer the following questions : 10×3=30

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) What do you mean by Human Rights? Briefly discuss the relevance of human rights in a world shattered by violence and other inhuman activities.

মানৱ অধিকাৰ বুলিলে কি বুজা? হিংসা আৰু আন অমানৱীয় কাৰ্যৰ দ্বাৰা বিধ্বস্ত পৃথিৱীত মানৱ অধিকাৰৰ প্ৰাসংগিকতা সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

"The so called rights of man are simply the rights of a member of a civil society, that is, of egoistic man, of man separated from other man and from the community." (*Karl Marx*)

Do you think that Marx supported the concept of human rights? Analyze his views on human rights.

"সমাজত আধিপত্য বিস্তাৰ কৰা শোষক শ্ৰেণীটোৱেহে অধিকাৰ ভোগ কৰে। শোষিত শ্ৰেণীটোৱে কোনো ধৰণৰ অধিকাৰ ভোগৰ সুবিধা নাপায়।" (*কাৰ্ল মাৰ্ক্স*)

মাৰ্ক্সে মানৱ অধিকাৰৰ ধাৰণাটো সমৰ্থন কৰিছিল বুলি ভাৱানে? মানৱ অধিকাৰ সম্পৰ্কত তেখেতৰ দৃষ্টিভংগী বিশ্লেষণ কৰা।





(b) Briefly discuss the importance of the Convention on the Rights of the Child. Mention the rights of the child as depicted in the Convention of the Rights of the Child, 1989.

শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিখনৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰা। ১৯৮৯ চনৰ শিশুৰ অধিকাৰ সম্পৰ্কীয় চুক্তিখনত উল্লেখিত অধিকাৰসমূহ লিখা।

*Or / অথবা*

Discuss the role played by the UNO for the development of human rights.

মানৱ অধিকাৰৰ বিকাশত ৰাষ্ট্ৰসংঘৰ ভূমিকা আলোচনা কৰা।

(c) What is a Human Rights NGO? Discuss the functions of a Human Rights NGO.

মানৱ অধিকাৰৰ বেচৰকাৰী সংস্থা বুলিলে কি বুজা? মানৱ অধিকাৰৰ বেচৰকাৰী সংস্থা এটাৰ কাৰ্যাৱলী আলোচনা কৰা।

*Or* / অথবা

Trace the evolution of Human Rights Watch. Briefly discuss its functions as a Human Rights NGO.

Human Rights Watchৰ ক্ৰমবিকাশৰ ওপৰত আলোকপাত কৰা। মানৱ অধিকাৰৰ বেচৰকাৰী সংস্থা হিচাবে ইয়াৰ কাৰ্যাৱলীৰ চমু আলোচনা কৰা।

★★★